**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-Feb-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰিব। দিনজয় চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া এই কাৰ্যসূচীত ৰাজহ মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰিব। এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ গোল্ফ ফিল্ডত অনুষ্ঠিত চাবুৱা কেন্দ্ৰীয় অধিবেশন তথা মটক যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। মটক জনগোষ্ঠীৰ আটাইকেইটা সংগঠনৰ সৌজন্যত বেংমৰা সমন্বয় ক্ষেত্ৰত চাৰিদিনীয়াকৈ এই যুৱ মহোৎসৱৰ আয়োজন কৰা হৈছিল। শ্ৰীসোণোৱালে তেওঁৰ ভাষণত কয় যে অসমৰ জাতীয় জীৱনৰ সকলো সন্ধিক্ষণত সবল ভূমিকা গ্ৰহণ কৰি অহা মটক জনগোষ্ঠীয়ে ৰাজ্যখনৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক উত্তৰণৰ দিশত বিশেষ অৰিহণা যোগাই আহিছে। তেওঁ বিকশিত আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে মটক জনগোষ্ঠীৰ যুৱপ্ৰজন্মক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

*(বাইট ঃ সোণোৱাল)*

কালিৰ মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মটক জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অধিবেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মাৰক গ্ৰন্থখন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উন্মোচন কৰে।

০০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত প্ৰশাসন আৰু বন বিভাগে কালিৰে পৰা উচ্ছেদ অভিযান চলাইছে। বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে।

০০০০০০

ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে ৰূপায়ণ কৰা ৰাষ্ট্ৰীয় বায়োশ্ৰী যোজনাৰ অধীনত কালি যোৰহাট জিলাৰ ৩ হাজাৰ ১১০গৰাকী হিতাধিকাৰীৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় বায়োশ্ৰী যোজনাৰ অধীনত বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলক তেওঁলোকৰ প্ৰয়োজনীয় সামগ্ৰী বিনামূলীয়াভাৱে প্ৰদান কৰা হয়। সমাজ কল্যাণ বিভাগৰ সহযোগত যোৰহাটৰ শিক্ষা ভৱনত আয়োজিত অনুষ্ঠানত ১৫০গৰাকী হিতাধিকাৰীক মটৰৰ দ্বাৰা চালিত ট্ৰাই-চাইকেল, বিভিন্ন প্ৰকাৰৰ হুইল চেয়াৰ আদি বিতৰণ কৰা হয়। অনুষ্ঠানত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাকে ধৰি আন কেইবাগৰাকী বিধায়ক তথা জিলা সমাজ কল্যাণ বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

বিশ্বনাথ ঘাট নদী আৰক্ষী থানাৰ নতুনকৈ নিৰ্মাণ হ'বলগীয়া ভৱনৰ কালি আধাৰশিলা স্থাপন কৰা হয়। মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ৭২ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ভৱনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**